বহনক্ষম বিকাশৰ বাবে ঃ অবিৰাম বিকাশৰ অবিৰত খোজ...
অনাঁতাৰ নাটক ঃ খণ্ড ৬ (ভূমিস্খলন আৰু হিমস্খলন)

পাণ্ডুলিপি/ ৰচনা ঃ মেঘনা চৌধুৰী

চৰিত্ৰসমূহঃ
১. ৰাহুল -- স্নাতক শ্ৰেণীৰ ছাত্ৰ
২. অধ্যাপক মনোজ বৰুৱা --শ্বীলং নেহুৰ ভূতত্ত্বৰ অধ্যাপক
৩. বিপুল -- গাড়ী চালক
৪. দীপিকা দত্ত -- মহাবিদ্যালয়ৰ ভূগোলৰ শিক্ষয়িত্ৰী
৫. অৰুণ দত্ত -- দীপিকা দত্তৰ স্বামী, ভাৰতীয় ভূতাত্বিক জৰীপত কৰ্মৰত বিষয়া

(ঘোষণা +শীৰ্ষক গীত)

**প্ৰথম দৃশ্য ঃ (গাড়ী চলি থকাৰ শব্দ)**

**ৰাহুল ঃ** ছাৰ, সচাঁকৈয়ে কিন্তু আপোনাক এনেকৈ হঠাতে ইমান সহজে লগ পাই যাম বুলি কেতিয়াও  ভবা নাছিলো। আমাৰ দীপিকা বাইদেউৰ মুখেৰে আপোনাৰ বিষয়ে বহু কথা শুনিছো ছাৰ। আপোনাক লগ পোৱাৰ পিছতে হেণো ভূতত্বৰ ক্ষেত্ৰখনত কাম কৰি যাবলৈ তেঁও এক প্ৰকাৰ থিৰাঙেই কৰি  পেলাইছিল। তেঁওৰ মুখেৰে আপোনাৰ বিষয়ে শুনি শুনি আমিও আপোনাক লগ পাবলৈ আগ্ৰহেৰে ৰৈ আছিলো ছাৰ।

**বৰুৱা ঃ** তোমালোকৰ দিপীকা বাইদেউ এসময়ত মোৰ বৰ প্ৰিয় ছাত্ৰী আছিল।

**ৰাহুলঃ** হয় ছাৰ। দিপীকা বাইদেউ আমাৰ সকলোৰেই অতি প্ৰিয় শিক্ষয়িত্ৰী। তেঁওৰ যত্নতেই ইমান সোনকালেই আমাৰ বিভাগটোত ইমান ডাঙৰকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ ইমান সুন্দৰকৈ পাতিব পাৰিছো, ছাৰ।

**বৰুৱা ঃ** হয়তো। মোকতো এক প্ৰকাৰ টানি অনাদিয়ে আনিলে ইয়ালৈ। যথেষ্ট ব্যস্ত হৈ আছিলো।

**ৰাহুলঃ** হয় ছাৰ। দীপিকা বাইদেৱে আমাৰ দৰে প্ৰথম বাৰ্ষিকৰ ছাত্ৰ - ছাত্ৰী সকলকো খুব সুন্দৰকৈ এই অনুষ্ঠানটোত জড়িত কৰোৱালে। সেই বাবে আমাৰ খুব ভাল লাগিছে ...

**বৰুৱাঃ** এয়া নিশ্চয় এক শুভ লক্ষণ। আৰু তুমি যে মোৰ সৈতে এই বিশ্ববিদ্যালয়লৈ বুলি গুছি আহিলা। বৰ ভাল লাগিল হে।

**ৰাহুলঃ** কিয় নাহিম ছাৰ? এইটো উত্তৰ - পূব ভাৰতৰ ভিতৰতেই এটা ধুনীয়া কেম্পাচ। এইটো চাবলৈ বিষেশকৈ আপোনালোকৰ বিভাগটোৰ বিষয়ে দীপিকা বাইদেউৰ মুখেৰে শুনি থাকোতে থাকোতে, এবাৰ গৈ চাবলৈ বৰ মন গৈ আছিল। তাতে আজি সুবিধাটো পালো আৰু গুছি আহিলো আপোনাৰ লগত ছাৰ।

**বৰুৱাঃ** বৰ ভাল কাম কৰিলা। তুমি অহাই মোৰো সুবিধা হ'ল।

**ৰাহুলঃ** ধন্যবাদ ছাৰ। (হঠাতে গাড়ী ৰৈ যোৱাৰ শব্দ)

**বিপুল ঃ** ছাৰ, সন্মুখত দেখোন গাড়ীবোৰ ৰৈ থকা যেন দেখিছো। মানুহৰো ভিৰ যেন লাগিছে।

**বৰু ৱাঃ** অ' হয় নেকি? যোৰাবাট পালোহি নহয়। ইয়াততো এনেকুৰা জানঁযট হয়েই। এহঃ কিমান বা সময় লাগে এতিয়া? খানাপাৰাতে চাহ একাপ খাই অহাই ভাল আছিল।

**বিপুলঃ** মই নামি গৈ চাই আহোঁ নেকি ছাৰ?

**বৰুৱাঃ** অঁ বিপুল। তুমি চোৱাগৈচোন, নিয়মীয়া যানঁজট নহে অন্য কিবা সমস্যাও হ'ব পাৰে। কাৰন মানুহৰ জুম এটাও দেখিছো।

**(গাড়ীৰ পৰা বিপুল নামি যোৱাৰ শব্দ)**

**ৰাহুল ঃ** এই অঞ্চটোততো যথেষ্ট ভূমিস্খলন হৈ থাকে। নহয় জানো ছাৰ?

**বৰুৱা ঃ** হয় হয়। ভূমিস্খলমৰ ফলত বহু সময়ত বাট পথ বন্ধ হৈ পৰে।

**(বিপুল ঘুৰি আহে)**

**বিপুলঃ** ছাৰ আপুনি ঠিকেই ধৰিছিলে। পাহাৰৰ পৰা ইমানেই মাটি আৰু শিল খহি পৰিছে যে ৰাস্তাটো একেবাৰে বন্ধ হৈ গৈছে। গাড়ীবোৰ বহু সময়লৈ লৰচৰ হ'ব পৰা কোনো সম্ভাৱনাই নাই।
**বৰু ৱাঃ** সেয়া দেখিছানে বাৰু মানুহৰ বিপদ! কাৰো ঘৰ দুৱাৰ ভাঙি পৰা নাইতো বিপুল?

**বিপুল ঃ** গম পোৱা নাই ছাৰ। মুঠতে ডাঙৰ ডাঙৰ শিল আৰু বহুত মাটি খহি পৰিছে।
**ৰাহুলঃ** আমি নামি গৈ চাঁও নেকি ছাৰ?

**বৰুৱাঃ** অ' ব'লা।
**(তেঁওলোক গাড়ীৰ পৰা নামি ভুমিস্খলনৰ স্থানলৈ আগবাঢ়ি যোৱাৰ শব্দ। মানুহৰ কোলাহল)**

**বৰুৱা ঃ** ৰাহুল সাৱধান। বেছি ওচৰলৈ নাযাবা। সীমা সুৰক্ষা বলৰ জোৱানসকল আহি পাইছেই দেখিছানে? তেঁলোকে এতিয়া ৰাস্তাটো মুকলি কৰিবলৈ চেষ্টা কৰিব।

**ৰাহুল ঃ** ইমান ডাঙৰ ডাঙৰ শিল আৰু মাটিৰ চপৰাবোৰ পৰিছে! সেয়া চাওক। মই আগতে কেতিয়াও এনেকুৰা পৰিস্থিতি দেখা নাই।

**বৰুৱাঃ** ভূমিস্খলনৰ সমস্যাতো এতিয়া গুৱাহাটীৰ বহু অঞ্চলতে দেখিবলৈ পোৱা যায়। বিষেশকৈ যিবোৰ পাহাৰীয়া অঞ্চলত মানুহে ঘনকৈ বসতি স্থাপন কৰিছে, সেইবোৰ অধিক ভুমিস্খলন প্ৰৱন হৈ পৰিছে।

**ৰাহুল ঃ** হয় ছাৰ।

**বৰুৱাঃ** ৰাজ্যিক দুৰ্যোগ প্ৰশাসন বিভাগে জনসাধাৰণক সজাগ কৰিবলৈ বহুতো প্ৰচেষ্টা চলাই আছে। কিন্তু ৰাইজ সজাগ হ'বলৈ বহু বাকি এতিয়াও।

**ৰাহুলঃ** ভুমিস্খলন সম্পৰ্কে আৰু কওকচোন ছাৰ।

**বৰুৱাঃ** গাড়ীতে ক'মগৈ ব'লা। এতিয়াতো গ'ধূলীয়ে হ'ল। চাৰি পাঁচ ঘন্টাৰ আগত যে ৰাস্তাটো মুকলি হ'ব, তাৰ কোনো আশা দেখা নাই মই।

**বিপুলঃ** আপুনি ঠিকেই কৈছে ছাৰ। আমি গুৱাহাটীলৈ ওভতি যোৱাই ভাল হ'ব।

**ৰাহুলঃ** ব'লক তেন্তে ছাৰ। আজি ন'হলে আমাৰ ঘৰতে থাকিব।

**বৰুৱাঃ** তোমালোকৰ ঘৰলৈ নিশ্চয় যাম ৰাহুল। কিন্তু আজি নহয় দিয়া। আজি মই হোটেলতে থাকো।

**(তিনিও খোজকাঢ়ি আহি গাড়ীখনত উঠে। দুৱাৰ বন্ধ হোৱাৰ শব্দ। গাড়ী চলিবলৈ ধৰে।)**

**ৰাহুলঃ** ৰ'ব ছাৰ। মই নহ'লে দীপিকা বাইদেউলৈ ফোন কৰি আমাৰ এই পৰিস্থিতিটোৰ বিষয়ে কঁও।
**বৰুৱাঃ** অ' দিয়া, দিয়া। নহ'লে তেঁও আকৌ চিন্তা কৰি থাকিব।

**(সংগীতৰে সময় বিৰতি)**

**দ্বিতীয় দৃশ্য**

**(পুনৰ গাড়ীৰ শব্দ)**

**ৰাহুলঃ** সেয়া দেখিলে ছাৰ! মই কৈছিলো নহয়, কথাটো নজনালে দীপিকা বাইদেউৰে বৰ দুখ পালেহেঁতেন। এতিয়া ভালেই হ'ল, ৰাতিৰ ভাত সাজ তেঁওলোকৰ ঘৰতে খাব পাৰিব।

**বৰুৱাঃ** এৰা। এই ছাত্ৰ -ছাত্ৰীবিলাকৰ মৰমেই আমাৰ দৰে শিক্ষকৰ পৰম সম্পদ।

**(দুয়ো হাঁহে)**

**ৰাহুলঃ** ছাৰ, এতিয়া কওকচোন এই ভুমিস্খলন সমস্যাটোৰ বিষয়ে অলপ বহলাই।

বৰুৱাঃ সাধাৰন ভাষাত কবলৈ গ'লে ভূমিস্খলন হৈছে পৰ্বত বা গৰাৰ পৰা ভু মাটি, শিল, বোকা আদি তললৈ বাগৰি পৰা ঘটনা। গছ গছনি আৰু আন আন বস্তুও এনেদৰে তললৈ বাগৰি পৰে। ভুমিস্খলনে সামৰি লোৱা দূৰত্ব কেই ছেণ্টিমিটাৰৰ পৰা কেইবা কিলোমিটাৰলৈ হ'ব পাৰে। মাত্ৰ কেইমূহুৰ্তমানৰ পৰা আৰম্ভ কৰি কেইবা মাহলৈকে ভূমিস্খলন হৈ থাকিব পাৰে।

**ৰাহুলঃ** কেইবা মাহলৈ! (আচৰিত হৈ)
কিয় এনে হয় ছাৰ? ভুমিস্খলনৰ আঁৰত কি কি কাৰণ থাকিব পাৰে?

**বৰুৱাঃ** ভূমিস্খলনৰ বহুতো কাৰণ থাকিব পাৰে. তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপুৰ্ণ কাৰণ হৈছে কোনো এটা অঞ্চলৰ ভৌগোলিক অৱস্থাণ আৰু জলবায়ু।

**ৰাহুল ঃ** হয় ছাৰ।

**বৰুৱাঃ** ভুমিস্খলনৰ আঁৰত মূলতঃ দুটা কাৰণ থাকিব পাৰে। প্ৰথমটো হৈছে প্ৰাকৃতিক কাৰণ আৰু আনটো হৈছে মানৱৰ কাম -কাজৰ বাবে সৃষ্টি হোৱা। প্ৰাকৃতিক কাৰণ বিলাকৰ ভিতৰত হৈছে প্ৰবল বৰষুণ, যিয়ে মাটি আৰু পানীৰ বোৱনৰ লগতে বনজুই আৰু ভূমিকম্পৰ পৰিমাণ বৃদ্ধি কৰে।

**ৰাহুলঃ** আৰু মানুহৰ কেনে ধৰনৰ কাম - কাজে ভুমিস্খলন বৃদ্ধি কৰে ছাৰ?

**বৰু ৱাঃ** মানুহে আচলতে প্ৰকৃতিৰ লগত সহাৱস্থান কৰিবলৈ পাহৰিয়েই গৈছে। নিজৰ লাভৰ বাবে প্ৰকৃতি ধ্বংস কৰিবলৈ মানুহে এতিয়া অলপো কুণ্ঠাবোধ নকৰে। নিজৰ সুবিধাৰ বাবে মানুহে ডাঙৰ ডাঙৰ বান্ধ, বৃহৎ অট্টালিকা আৰু ৰাস্তা ঘাট সাজিছে। গছ গছনি কাটি কাটি সেই ঠাইত নিজৰ বসতি স্থাপন কৰিছে। যোৱা তিনি - চাৰিটা দশকত ভুমিস্খলনৰ মাত্ৰা আৰু ইয়াৰ প্ৰভাৱ

যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

**ৰাহুলঃ** ছাৰ, মানুহে ৰাস্তা - ঘাট বনাবলৈ, ঘৰ সাজিবলৈ যদি গছ -গছনি কাটি তহিলং কৰে তেন্তে মাটি খিনি ধৰি ৰাখিবলৈ গছৰ শিপা আৰু শিলৰ অভাৱ হ'ব। আৰু তেনে স্থলত মাটি খহি পৰিবই। গুৱাহাটীত আজিকালি আমি ভূমিস্খলনৰ খবৰ পায়েই থাকো দেখোন। খাৰঘূলি, ধীৰেনপাৰা, কাহিলীপাৰা, বতাহঘূলি - এনেবোৰ পাহাৰিয়া স্থানত এজাক ডাঙৰ বৰষুণ দিলেই মানুহ আতংকিত হৈ পৰে।

**বৰুৱাঃ** তুমি ঠিকেই কৈছা ৰাহুল। তুমি ছাগে নাজানিবা, গুৱাহাটীত ১৯৮৪ চনত এক অত্যন্ত ভয়ংকৰ ভূমিস্খলন হৈছিল।

**ৰাহুলঃ** হয় নেকি ? বহুত ক্ষতি হৈছিল নেকি ছাৰ ?

**বৰুৱাঃ** মই পঢ়া মতে বহুত মানুহৰ মৃত্যু হৈছিল সেইবাৰ। আকৌ ১৯৬৮ চনত দাৰ্জিলিঙত হোৱা বৃহৎ ভুমিস্খলনৰ ফলত বহুতো লোকৰ মৃত্যু হোৱাৰ লগতে কুটি টকাৰ সম্পত্তি নষ্ট হৈছিল।

**ৰাহুলঃ** ভুমিস্খলন তেন্তে আমাৰ দেশৰ সকলোতে হয় নেকি ছাৰ ?

**বৰুৱাঃ** আমাৰ দেশৰ প্ৰায় শতকৰা পোন্ধৰ ভাগ অঞ্চল ভুমিস্খলন প্ৰৱন। হিমালয়ৰ অঞ্চল আৰু পশ্চিম ঘাট পৰ্বত এই ক্ষেত্ৰত আগবঢ়া। উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, জম্মু কাশ্মীৰৰ অতি উচ্চতাত থকা স্থানসমুহৰ লগতে আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত ভুমিস্খলনৰ প্ৰৱণতা অধিক। সময়ৰ লগে লগে শিল খহি খহি মাটি ঢিলা কৰি পেলায় আৰু এজাক প্ৰবল বৰষুণেই তেতিয়া বৃহৎ পৰিমাণৰ ভুমিস্খলন কৰিব পাৰে।

**ৰাহুলঃ** বৰ দুখজনক নহয়নে ছাৰ ? তেনে অঞ্চলৰ লোকসকলে ছাগে কিমান জীয়াতু ভূগিব লগীয়া হয় ....

**বৰুৱাঃ** দুৰ্ভাগ্যবসতঃ ভুমিস্খলনে বহুতো ক্ষতি কৰে। বিযেশকৈ মানুহৰ জীৱন আৰু সা-সম্পত্তি ধ্বংস কৰাৰ লগতে খহি অহা মাটি বালি শিলৰ টুকুৰা আদি নদীৰ তলত জমা হৈ হৈ নদী বাম কৰে। আৰু ইয়াৰ ফলত বানপানীৰ আশংকা বৃদ্ধি পায়।

**ৰাহুলঃ** তেন্তে এনে ধৰনৰ অৱস্থাৰ পৰা বাচিবলৈ ৰাইজে কেনে ধৰনৰ সাৱধানতা অৱলম্বন কৰিব পাৰে ছাৰ ?

**বৰুৱাঃ** যদি আমাৰ হাতত ভূমিস্খলন সম্পৰ্কীয় তথ্য থাকে, যেনে কোনোবা অঞ্চলত ভূমিস্খলন হৈছে আৰু সেইয়া কি ধৰনৰ, তেন্তে নিজকে ৰক্ষা কৰিবলৈ আমি কিছুমান পদক্ষেপ ল'ব পাৰো। সাধাৰন ৰাইজেও কিছুমান দিশলৈ মন কৰিলে ভূমিস্খলনৰ পৰা আগজাননী পাব পাৰে।

**ৰাহুলঃ** কেনেকুৱা দিশ ছাৰ?
**বৰুৱাঃ** ভূমিস্খলন প্ৰৱণ অঞ্চলত বাস কৰা লোক সকলে ঘৰৰ কিছুমান কথাত মন দিব লাগে। যেনে, হঠাতে জাপ খাবলৈ নধৰা দুৱাৰ বা খিৰিকী। ভূমিৰ সামান্য লৰচৰ হ'লেও এনে হ'ব পাৰে। লগতে চিৰি বা বাৰান্দা হঠাতে বহি গ'লে, সেইয়াও ভূমিস্খলনৰ আগজাননী হ'ব পাৰে।

**ৰাহুলঃ** ঘৰৰ ভিতৰৰ খিনি বাৰু বুজি পালো। কিন্তু ঘৰৰ বাহিৰত আমি কেনেদৰে এনে ধৰণৰ আগজাননী পাব পাৰো ছাৰ?

**বৰুৱাঃ** ঘৰৰ বাহিৰত আমি চাব লাগিব ৰাস্তাত হঠাতে সৃষ্টি হৈ যোৱা ফাট বিলাক। কেতিয়াবা এটা শুকাণ অঞ্চল হঠাতে বোকা হৈ উঠে। এয়া হয়, মাটিৰ ভিতৰে ভিতৰে ফাট মেলি তাত পানী সোমাই পৰাৰ বাবে। ইয়াৰ লগতে হঠাতে বেঁকা হ'বলৈ ধৰা দেৱালে ইয়াকে ইংগিত কৰে যে তলৰ মাটি লৰচৰ হ'বলৈ ধৰিছে....

**ৰাহুলঃ** এইবোৰ দেখোন মন কৰিবলৈ তেনেই সহজ !

**বৰুৱাঃ** অৱশ্যে এনে ধৰনৰ ইংগিত বোৰ পোৱাৰ পিছতো ভূমিস্খলন নহ'বও পাৰে। কিন্তু এইবোৰলৈ মন কৰাটো ভাল। আৰু যিহেতু ভূমিস্খলন সাধাৰনতে প্ৰবল বৰষুণৰ পিছত হোৱা দেখা যায়, গতিকে এনে অঞ্চলৰ বাসিন্দা সকলে বৰষুণৰ আগজাননি পালে সতৰ্ক হৈ থাকিব লাগে। লগতে তেঁওলোকে শিল খহি পৰা বা গছ বাগৰি পৰাৰ দৰে শব্দ শুনিলে সেই দিশটো কেতেয়াঁও আওকান কৰিব নালাগে।

**ৰাহুলঃ** যদি হঠাতে এনে ভূমিস্খলন আৰম্ভ হৈ যায়, আমি নিজকে কেনেদৰে সুৰক্ষিত কৰিব পাৰো ছাৰ?

**বৰুৱাঃ** ভূমিস্কলন হ'লে প্ৰথমতেই সেই অঞ্চল ত্যাগ কৰি কোনো মুকলি স্থানলৈ যাবলৈ চেষ্টা কৰিব লাগে। বৰষুণ হৈ থকা অৱস্থাত যান - বাহন ব্যৱহাৰ কৰাটো বিপদজনক। দুৰ্যোগ ব্যৱস্থাপনা কৰিব পৰা কৰ্তৃপক্ষৰ লগত যোগাযোগ স্থাপন কৰিবলৈ চেষ্টা কৰিব লাগে। ওচৰ পাজৰৰ অঞ্চলবোৰতো খবৰটো দিব লাগে যাতে তেঁওলোকো প্ৰস্তুত হ'ব পাৰে।
অ' আৰু এটা কথা। যেতিয়ালৈকে কৰ্তৃপক্ষই অঞ্চলটো বিপদমুক্ত বুলি ঘোষণা নকৰে , তেতিয়া

লৈকে তাৰ পৰা আতৰি থকাটোৱেই ভাল। লৰালৰিকৈ উভটি গ'লে আকৌ বিপদ হ'ব পাৰে।

**ৰাহুলঃ** হয় ছাৰ। আপুনি সঠিক কথাই কৈছে।

**বৰুৱাঃ** আচলতে কি জানা ৰাহুল, মানুহে কিছুমান সাৱধনতা অৱলম্বন কৰিলে ভুমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰি থাকিব পাৰে। ইয়াৰ বাবে প্ৰথমতেই কঁও যে মাটি খহি নপৰাকৈ ধৰি ৰাখিবলৈ গছ কটা বন্ধ কৰিব লাগে আৰু যঠেষ্ট বণাণীকৰণ কৰিব লাগে।

**ৰাহুলঃ** আৰু কি কি কৰিব লাগে ছাৰ?

**বৰুৱাঃ** কোনো এটা অঞ্চলত বসতি স্থাপন কৰাৰ আগতেই সেই অঞ্চলটো ভূমিস্খলন প্ৰৱণ হয় নে নহয় সেই বিষয়ে ভালকৈ জানি লোৱা উচিত। পাহাৰৰ এঢলীয়া ঠাইবোৰত ঘন জনবসতি স্থাপন কৰিবই নালাগে।

**ৰাহুলঃ** আৰু পাহাৰৰ বুকুৰে বাগৰি যোৱা জান-জুৰি, নলাবোৰে কিবা বিপদ ঘটাব পাৰে নেকি ছাৰ?

**বৰুৱাঃ** তুমি এটা গুৰুত্বপূৰ্ণ দিশলৈ আঙুলিয়াই দিছা ৰাহুল। হয় এই জান-জুৰি, নলাবোৰত পানীৰ সোঁত সঠিকভাৱে নিয়ন্ত্ৰণ কৰাটো ভূমিস্খলন ব্যৱস্থাপনাৰ এটা গুৰুত্বপূৰ্ণ অংশ। পানীৰ পৃষ্ঠৰ স্তৰ নিয়ন্ত্ৰণ কৰাৰ লগতে ৰোধক দেৱাল নিৰ্মাণ কৰি ভূমিস্খলন ৰোধ কৰিব পৰা যায়।

**ৰাহুলঃ** আপোনাৰ পৰা বহু নজনা কথা জানিলো ছাৰ। ধন্যবাদ। এয়া আমি দীপিকা বাইদেউহঁতৰ ঘৰ পালোহি।

**বৰুৱাঃ** দেখিছানে, কথাৰ মাজতে সময়খিনি কেনেকৈ পাৰ হই গ'ল গমেই নাপালো।

## তৃতীয় দৃশ্য

**(দীপিকা দত্তৰ ঘৰৰ ভিতৰত। ভাত খাই উঠি আটায়ে হাঁহি - মাতি কথা পাতি আছে।)**

**বৰুৱাঃ** দীপিকা ধন্যবাদ দেই। ইমান সুন্দৰ ভাত এসাঁজ খুৱালা।

**দীপিকাঃ** কিয়নো লাজ দিছে ছাৰ? ভালকৈ একো এটা যা-যোগাৰ কৰিবই নোৱাৰিলো।

**অৰুণঃ** হয় ছাৰ। আচলতে আপোনাক ভাত এসাঁজ আমি বহু আগতেই খুৱাব লাগিছিল। আজি এঁও হঠাতেহে খবৰ দিলে। ময়ো লৰালৰিকৈ যি পাৰো বজাৰ কৰি আনিলো।

**বৰুৱাঃ** তোমাকো ধন্যবাদ অৰুণ। ইমান বোৰ খুৱাইছা তোমালোকে।  পেটটোতো ভৰিছেই, লগতে মনটোও ভৰি গৈছে হে। আচলতে এই যত্ন, আপ্যায়ণ এইবোৰেই আমাৰ সংস্কৃতি নহয়নে?

**ৰাহুলঃ** মই মাজতে মাত মাতিছো বাইদেউ। কিন্তু এটা কথা ক'বই লাগিব, ময়ো যে আপোনাৰ হাতৰ ভাত এসাঁজ খাবলৈ পালো, তাকো বৰুৱা ছাৰৰ লগত, এয়া মোৰ বাবে কম সৌভাগ্য নে?

**দীপিকাঃ** ইচ্ ৰাম! হ'ব হ'ব দিয়া। তুমি যে মোক উভটি অহাৰ খবৰটো দিলা, তোমাকহে ধন্যবাদ দিব লাগে।

**ৰাহুলঃ** বাটত ভুমিস্খলন নোহোৱা হ'লে এইসাঁজ ভাত কিন্তু নাপালোহেঁতেন। লগতে বৰুৱা ছাৰৰ পৰা  ভুমিস্খলন সম্পৰ্কে নজনা কথাবোৰো জানিবলৈ সুযোগ নাপালোহাঁতেন।

**বৰু ৱাঃ** ৰাহুল, দীপিকাৰ স্বামী অৰুণ যে ভাৰতীয় ভূতাত্বিক জৰিপত কৰ্মৰত, সেয়া তুমি জানা নে নাই?

**ৰাহুলঃ** অ' হয় নেকি ছাৰ? সেই বিষয়ে মই জনা নাছিলো ছাৰ।

**বৰুৱাঃ** অৰুণ মোৰ যিমান দূৰ মনত আছে, তুমি কিছু বছৰ আগতে হিমস্খলন সম্পৰ্কীয় কাম এটাত জড়িত হৈ আছিলা। নহয় জানো?

**অৰুণঃ** হয় ছাৰ। মই এভালেংকি মণিটৰিং (Avalanche Monitoring) মানে হিমস্খলন নিৰীক্ষণৰ সৈতে জড়িত হৈ আছিলো।

**বৰুৱাঃ**  ৰাহুলে এনেবোৰ কথা জানিবলৈ বৰ আগ্ৰহী জানানে? হিমস্খলন সম্পৰ্কে আমাক কোৱাছোন।

**ৰাহুলঃ** হয়, হয় মই জানিব বিচাৰো এইবোৰৰ সম্পৰ্কে। কওকচোন।

**অৰুণঃ** অতি উচ্চ বৰফৰ শৃংবোৰত হিমস্খলন ঘটাৰ যঠেষ্ট আশংকা থাকে। হিমস্খলন হৈছে ক্ষীপ্ৰ বেগেৰে বৃহৎ পৰিমাণৰ বৰফ এঢলীয়াকৈ তললৈ নামি অহা। বৰফৰ এই প্ৰৱাহ ঘন্টাত

গড়ে ১৩০ কিলোমিটাৰ বেগেৰে হ'ব পাৰে। এনে বৰফৰ প্ৰৱাহে নিজৰ পথত থকা সকলোখিনি মহতিয়াই লৈ যায়। সমগ্ৰ বিশ্বত প্ৰায় ২০০ লোকৰ প্ৰতি বছৰে হিমস্খলনৰ ফলত মৃত্যু হয়।

**ৰাহুলঃ** ইমান ভয়াৱহ! কিয় হয় বাৰু এনে হিমস্খলন?

**অৰুণঃ** কেবাটাও কাৰনত এনে হয় -- ধৰা বৰফাবৃত শৃংগত হঠাতে ঘটা কোনো পৰিৱৰ্তন, ইতিধ্যে জমা হোৱা বৰফৰ স্তৰ সমূহত বৃদ্ধি হোৱা ওজন -- এনেবোৰ কাৰনে হিমস্খলন সংঘটিত কৰিব পাৰে। কিছুমান ভূতাত্বিক পৰিঘটনাৰ ফলটো এনে হয়। যেনে ২০১৫ চনত নেপালত হোৱা ভূমিকম্পৰ ফলত হিমালয়ত যঠেষ্ট হিমস্খলন হৈছিল।

**ৰাহুলঃ** হিমস্খলন তেন্তে যঠেষ্ট বিপজ্জনক হ'ব পাৰে!

**অৰুণঃ** হয়। বৃহৎ হিমস্খলনৰ ফলত আমাৰ বৰফ শৃংগবোৰত কৰ্তব্যৰত সেনা জোৱানৰ পৰা আৰম্ভ কৰি স্থানীয় লোক আৰু পৰ্যটকসকল যঠেষ্ট ক্ষতিগ্ৰস্ত হয়। মানুহৰ জীৱন আৰু সা-সম্পত্তিৰ ক্ষতি হয়।
কিন্তু ভূতত্ববিদসতলে হিমস্খলনৰ আগজাননী দিব পাৰে আৰু এনে আগজাননী সঠিক সময়ত লাভ কৰিলে বহু লোকচানৰ পৰা হাত সাৰিব পাৰি।

**ৰাহুলঃ** প্ৰকৃতিয়ে তেনেহ'লে মানুহৰ জীৱনক লৈ বহুতো হেতালি খেলে।

**বৰুৱাঃ** নহয় ৰাহুল। প্ৰাকৃতিক দুৰ্যোগবোৰ আচলতে একো একোটা প্ৰাকৃতিক পৰিঘটনাহে। আচল কথাটো হ'ল যে মানুহে প্ৰকৃতিৰ লগত সমিলমিলেৰে থাকিব জনা নাই। গছ-গছনি কাটি, নদী, খনিজ সম্পদ আৰু আন আন প্ৰাকৃতিক সম্পদবোৰ হিচাপতকৈ বহুত বেছিকৈ ব্যৱহাৰ কৰাৰ ফলত মানুহে নিজে আজি জীয়াতু ভূগিবলগিয়া হৈছে।

**অৰুণঃ** হয়, ভুমিস্খলন প্ৰতিৰোধ কৰিবলৈ যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, সেইবোৰৰ দ্বাৰা হিমস্খলনো প্ৰতিৰোধ কৰিব পৰা যায়।

**দীপিকাঃ** মুঠৰ ওপৰত যদি আমি সচাঁকৈয়ে বহনক্ষম উন্নয়ণ হোৱাটো বিচাৰো তেন্তে প্ৰকৃতিৰ লগত আমি ভাৰসাম্য ৰক্ষা কৰি চলিবই লাগিব।

**ৰাহুলঃ** হয় বাইদেউ। আজি সচাঁকৈয়ে মই আপোনালোকৰ পৰা বহু নজনা কথা জানিলো। আপোনালোকলৈ ধন্যবাদ।

**(সকলোৰে হাঁহে)**

**বৰুৱাঃ** বাৰু বাৰু। মোৰো আজিৰ সন্ধিয়াটো তোমালোকৰ লগত এনেদৰে কটাবলৈ পাই খুবেই ভাল লাগিল। এতিয়া পিছে দহ বাজিবৰ হ'ল। ব'লা ৰাহুল। তোমাক ঘৰত নমাই থৈ মই হোটেললৈ যাব লাগিব। দীপিকা - অৰুণ এটিয়া বিদায় দিয়া। শুভৰাত্ৰি।

**দীপিকাঃ** শুভৰাত্ৰি ছাৰ।

**অৰুণঃ** শুভৰাত্ৰি।

---

**প্ৰশ্ন**

১. ভুমিস্থলনৰ পৰিসৰ কিমান দূৰলৈ হ'ব পাৰে?

-- কেই চেন্টিমিতাৰৰ পৰা কেইবা কিলোমিটাৰ।

২. ২০১৫ চনত হিমালয়  পৰ্বতত হোৱা বিশাল হিমস্থলনৰ কাৰন কি?

-- ২০১৫ চনত নেপালত হোৱা বিধ্বংসী ভূমিকম্প।

---